# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 12-04-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - -***

## Headlines

---

১।	পঞ্চায়ত নিৰ্বাচনৰ বাবে দাখিল কৰা মনোনয়ন পত্ৰৰ আজি পৰীক্ষণ।

২।	গুৱাহাটীৰ উজানবজাৰৰ জল পৰিবহণ প্ৰকল্পত উত্তৰ-পূব ৰে'লৱেৰ ৩০৬ দশমিক ৯ কিলোৱাট পিক শক্তিসম্পন্ন সৌৰশক্তি প্ৰকল্প স্থাপন।

৩।	কোকৰাঝাৰ জিলাৰ হৰিণাগুৰিৰ বাওখুংগ্ৰী পাহাৰত আজিৰ পৰা তিনিদিনীয়াকৈ দ্বাদশ বাওখুংগ্ৰী মহোৎসৱ। মুখ্যমন্ত্ৰী শুভেচ্ছা জ্ঞাপন।

৪।	ৰঙালী বিহুৰ কাইলৈ উৰুকা। ৰাজ্যজুৰি বিহুৰ ব্যাপক প্ৰস্তুতি।	**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্মৌ ছুপাৰ জায়েণ্টছ্‌ক জয়ৰ বাবে গুজৰাট টাইটানছৰ  ১৮১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

পঞ্চায়ত নিৰ্বাচনৰ বাবে কালি মনোনয়ন পত্ৰ দাখিলৰ অন্ত পৰাৰ পাছত আজি মনোনয়ন পত্ৰসমূহৰ পৰীক্ষণ হৈছে। কামৰূপ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ২৪টা জিলা পৰিষদৰ ৩ গৰাকী প্ৰাৰ্থী আৰু ১৩৯টা আঞ্চলিক পঞ্চায়ত সদস্যৰ ২৫ গৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলাখনৰ ২৪টা জিলা পৰিষদ সমষ্টিত মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। ইয়াৰে ৮ নম্বৰ বেকেলী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী দেৱজ্যোতি ৰাভা, এক নম্বৰ পঞ্চতীৰ্থ হাজো জিলা পৰিষদৰ বিজেপিৰ প্ৰাৰ্থী ৰীতা তালুকদাৰ আৰু ২৪ নম্বৰ শৰাইঘাট কেতেকীবাৰী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী বিৰাজ কুমাৰ নাথে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলাখনৰ ১৩৯টা আঞ্চলিক পঞ্চায়তৰ সদস্যৰ বাবে ৩১৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। কোনো প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিব বিচাৰিলে ১৭ এপ্ৰিলৰ বিয়লিৰ ৩ বজাৰ ভিতৰত আবেদন কৰিব লাগিব। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

অহা ২ মে'ত প্ৰথম পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ধেমাজি জিলাত ১২টা জিলা পৰিষদ সমষ্টিৰ বাবে ৩৯ জন প্ৰাৰ্থীয়ে আৰু ৫ খন আঞ্চলিক পঞ্চায়ত সমষ্টিৰ বাবে ১৩৯ জন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। জিলাখনৰ ৬৫ খন গাঁও পঞ্চায়তৰ  ৬৫০টা ৱাৰ্ড সদস্যৰ বাবে এহেজাৰ ৭৭০ জনে মনোনয়ন পত্ৰ দাখিল কৰিছে।

মাজুলী জিলাতো আজি পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহৰ পৰীক্ষণ হৈছে। এই সন্দৰ্ভত আমাৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয়–

**ভইচ (বিকাশ শইকীয়া)**

বজালী জিলাত চাৰিখনকৈ আঞ্চলিক পঞ্চায়ত বিজেপি-অগপ মিত্ৰদলৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ৰ দিয়ে অগ্ৰসৰ হৈছে। ইপিনে বজালী আঞ্চলিক পঞ্চায়তৰ কংগ্ৰেছ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ ভুৱা প্ৰমাণপত্ৰ দাখিল কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰ হোৱা প্ৰাৰ্থী নজৰুল ইছলামে শিক্ষাগত অৰ্হতাৰ ভুৱা প্ৰমাণপত্ৰ দাখিল কৰিছিল।

০০০০০

পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যৰ ভিন্ন প্ৰান্তত দলৰ হৈ প্ৰচাৰ চলাবলৈ বিজেপিয়ে ৪০ জন তাৰকা নিৰ্বাচনী প্ৰচাৰকৰ নাম প্ৰকাশ কৰিছে। দলটোৱে প্ৰকাশ কৰা তাৰকা নিৰ্বাচনী প্ৰচাৰকসকলৰ নাম হ'ল- মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, ৰঞ্জীত দত্ত, কৃপানাথ মাল্লা, ভূৱনেশ্বৰ কলিতা, পৰিমল শুক্লবৈদ্য, মিছন ৰঞ্জন দাস, প্ৰদান বৰুৱা, বিজুলী কলিতা মেধি, ৰামেশ্বৰ তেলী, বিজেপি নেতা হৰিশ দ্বিবেদী, ড০ ৰাজদ্বীপ ৰায়, বিধানসভাৰ অধ্যক্ষ ডাঃ নোমল মমিন, মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, পীযূষ হাজৰিকা, জয়ন্ত মল্লবৰুৱা, বিমল বৰা, অজন্তা নেওগ, ডাঃ ৰণোজ পেগু, চন্দ্ৰমোহন পাটোৱাৰী, যোগেন মহন, ৰূপেশ গোৱালা, অশোক সিংহল, নন্দিতা গাৰ্লোচা, কৌশিক ৰায়, কৃষ্ণেন্দু পাল আৰু প্ৰশান্ত ফুকনৰ লগতে তুলিৰাম ৰংহাং, তপন গগৈ, পল্লৱলোচন দাস, পুলক গোহাঁই, দিপ্লুৰঞ্জন শৰ্মা, অশ্বিনী ৰায় সৰকাৰ, দোলেন নায়ক, শান্তিয়াছ কুজুৰ, কিশোৰ উপাধ্যায়, বলেন্দ্ৰ বসুমতাৰী।

০০০০০

নগাঁও জিলাত দ্বিতীয় পৰ্যায়ত তথা অহা ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জিলাখনত অস্ত্ৰৰ অনুজ্ঞাপত্ৰ থকা সকলো লোককে আগ্নেয়াস্ত্ৰসমূহ জমা দিয়াৰ নিৰ্দেশ দিয়া হৈছে। নগাঁও জিলা আয়ুক্ত তথা দণ্ডাধীশ নৰেন্দ্ৰ কুমাৰ শ্বাহে অনুজ্ঞাপত্ৰসহ আগ্নেয়াস্ত্ৰসমূহ সংশ্লিষ্ট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ হাতত জমা দিবলৈ নিৰ্দেশ দিছে। আগ্নেয়াস্ত্ৰসমূহ জমা দিয়াত বিলম্ব কৰিলে বা জমা নিদিলে তেওঁলোকৰ বিৰুদ্ধে আইন অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও নিৰ্দেশনাটোত উল্লেখ আছে। অনুজ্ঞাপত্ৰ থকা আগ্নেয়াস্ত্ৰসমূহ পঞ্চায়ত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ ৭ দিনৰ পাছত গৰাকীয়ে সংশ্লিষ্ট থানাৰ পৰা ঘূৰাই ল'ব পাৰিব।

০০০০০

উত্তৰ-পূৰ সীমান্ত ৰেলৱে পাৰিপাৰ্শ্বিক সমতা অক্ষুন্ন ৰখাৰ লগতে নৱীকৰণযোগ্য শক্তি আহৰণৰ দিশত গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে গুৱাহাটীৰ উজানবজাৰৰ জল পৰিবহন প্ৰকল্পত ৩০৬ দশমিক ৯ কিলোৱাট পিক শক্তিসম্পন্ন সৌৰশক্তি প্ৰকল্প স্থাপন কৰিছে। উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ মহা প্ৰৱন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱৰ নেতৃত্বত এই প্ৰকল্পতো উদ্বোধন কৰা হয়। এই অত্যাধুনিক সৌৰ প্ৰকল্পটোৱে দৈনিক গড়ে ৯২৮ ইউনিট বিদ্যুৎ উৎপাদন কৰিব পাৰিব। ইয়াৰ ফলত প্ৰতিবছৰে ৩০ লাখ টকা ৰাহি হ'ব বুলি আশা কৰা হৈছে। ২ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষ এই প্ৰকল্পট যোৱা ৭ মাৰ্চত সম্পূৰ্ণ কৰি ১০ এপ্ৰিলত মুকলি কৰা হয়। উজানবজাৰ জল পৰিবহন প্ৰকল্প পৰিচালনাৰ বাবে সংস্থাপন কৰা বৈদ্যুতিক প্ৰণালীৰ জৰিয়তে নিৰৱচ্ছিন্ন শক্তি  বিতৰণ আৰু পৰিচালন নিশ্চিত কৰা হৈছে।

০০০০০

ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই আজি গুৱাহাটীৰ অসম ৰাজ্যিক বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদ-এছ টেকৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত পৰিষদৰ ত্ৰয়োদশ পৰিচালনা সমিতিৰ বৈঠকত অধ্যক্ষতা

কৰে। এই বৈঠকত পৰিষদৰ বিভিন্ন কাৰ্যসূচী সম্পৰ্কে বিতংকৈ আলোচনা কৰি প্ৰয়োজনীয় সিদ্ধান্ত লোৱা হয়। এই সভাত তৃণমূল পৰ্যায়লৈকে এছ টেকৰ কাম-কাজ সক্ৰিয়ভাৱে আগবঢ়াই নিয়াৰ বাবে নিৰ্দেশ দিয়া হয়। তদুপৰি প্ৰস্তাৱিত জলবায়ু পৰিৱৰ্তন কেন্দ্ৰ, মহাকাশ গৱেষণাগাৰকে ধৰি কেইবাটাও বিষয় সম্পৰ্কে আলোচনা কৰা হয়। পৰিষদৰ মানৱ সম্পদ বিকাশ আৰু শৈক্ষিক উত্তৰণৰ দিশটো এই সভাত আলোচনা কৰা হয়। এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ সচিব পল্লৱ গোপাল ঝা, উত্তৰ পূৰ্ব বিজ্ঞান প্ৰযুক্তি প্ৰতিষ্ঠানৰ সঞ্চালক ড০ বীৰেন্দ্ৰ তিৱাৰীকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০০

কোকৰাঝাৰ জিলাৰ হৰিণাগুৰিৰ বাওখুংগ্ৰী পাহাৰত আজিৰ পৰা তিনিদিনীয়াকৈ দ্বাদশ বাওখুংগ্ৰী মহোৎসৱ অনুষ্ঠিত হৈছে। বিটিআৰৰ পৰ্যটন বিভাগে আজি চাইক্লিং প্ৰতিযোগিতাৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰে। বিটিচিৰ ক্ৰীড়া বিভাগৰ কাৰ্যবাহী সদস্য দাওবৈচা বড়ো আৰু কোকৰাঝাৰ পৌৰ বোৰ্ডৰ অধ্যক্ষ প্ৰতিভা ব্ৰহ্মই এই প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতে মূল প্ৰৱেশদ্বাৰ উন্মোচন, পতাকা উত্তোলন আৰু বড়ো জনগোষ্ঠীৰ থলুৱা খেল ধেমালীসমূহ অনুষ্ঠিত হয়। ৩ দিনীয়া এই মহোৎসৱৰ অংশ হিচাপে পাহাৰ বগোৱা, চাইক্লিং, পেৰাগ্লাইদিং, এয়াৰ বেলুন উৰুৱা, খাদ্য মহোৎসৱ আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে বড়ো জনগোষ্ঠীৰ নৱবৰ্ষৰ উৎসৱ বৈশাগু বা ৰঙালী বিহুৰ পূৰ্বে জনগোষ্ঠীটোৱে এই বাওখুংগ্ৰী পাহাৰ বগোৱা উৎসৱৰ আয়োজন কৰে। পৰম্পৰাগত বিশ্বাস অনুসৰি এই পাহাৰ বগাই শীৰ্ষলৈ গৈ ইষ্ট দেৱতাৰ আৰাধনা কৰাৰ দ্বাৰা বছৰটোলৈ অসুখ, অশান্তি, আৰু দূৰ্ভাগ্য নাশ হয়। ২০১৩ চনৰ পৰা বিটিচিৰ পৰ্যটন বিভাগে এই উৎসৱৰ আয়োজন কৰি ইয়াৰ অংশ হিচাপে দুঃসাহসিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাযোগে এই উৎসৱৰ সফলতা কামনা কৰিছে। সংস্কৃতি আৰু পৰম্পৰাৰে সমৃদ্ধ এই মহোৎসৱত ডং শৰ্মাই সকলোৰে সহযোগিতা আৰু অংশগ্ৰহণ কামনা কৰে।

০০০০০

মহানগৰ আৰক্ষীয়ে এটা নিৰ্দেশনাযোগে এতিয়াৰে পৰা মহানগৰীৰ পথত সমদল, মাৰাথন, ৱাকাথন, দৌৰ প্ৰতিযোগিতা আদি পতাত বাধা আৰোপ কৰিছে। মহানগৰীৰ যান-জঁট নিয়ন্ত্ৰণ আৰু যান-বাহনৰ চলাচল সুচল কৰিবলৈ এই বাধা আৰোপ কৰা হৈছে। নিৰ্দেশনা উলংঘন কৰি ৰাজপথত সমদল, শোভাযাত্ৰা উলিওৱা বা দৌৰ প্ৰতিযোগিতা আয়োজন কৰা লোকৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতা ২০২৩ৰ অধীনত ২২৩ ধাৰাত গোচৰ ৰুজু কৰা হ'ব।

০০০০০

তিনিচুকীয়া জিলাৰ চৰকাৰী অধিবক্তা অশোক কুমাৰ চুবেক তাৎক্ষণিকভাৱে অব্যাহতি দিয়া হৈছে। অধিবক্তাগৰাকীৰ হাতত থকা সকলো নথি-পত্ৰ অতিৰিক্ত চৰকাৰী অধিবক্তাৰ হাতত অৰ্পণৰ বাবে নিৰ্দেশ দিয়া হৈছে। ৰাজ্য চৰকাৰৰ ন্যায়িক বিভাগে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ এই নিৰ্দেশনা জাৰি কৰিছে। উল্লেখযোগ্য যে অধিবক্তা অশোক কুমাৰ চুবেৰ বিৰুদ্ধে বহু সময়ত বক্ৰপথ গ্ৰহণ কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে।

০০০০০

ধেমাজি জিলাৰ জোনাইত যোৱা নিশা জোনাই মহকুমা আৰক্ষী বিষয়া সূৰ্যকান্ত মৰাঙে সদৌ অসম ছাত্ৰ সন্থাৰ এগৰাকী স্থানীয় নেতাক প্ৰহাৰ কৰাৰ ঘটনাক কেন্দ্ৰ কৰি আজি জোনাইত উত্তপ্ত পৰিস্থিতিয়ে

বিৰাজ কৰে। ঘটনা পোহৰলৈ অহাৰ পাছতে পুৱতি নিশাই ছাত্র সন্থাৰ বহু সদস্যই জোনাই আৰক্ষী থানাত উপস্থিত হৈ আৰক্ষীৰ বিষয়াজনৰ বিৰুদ্ধে প্রতিবাদ সাব্যস্ত কৰে। ঘটনাটোক গৰিহনা দি ধেমাজি জিলাৰ ছাত্র সন্থাৰ সভাপতি সঞ্জীৱ দাসে ঘটনাৰে জড়িত আৰক্ষী বিষয়াগৰাকীক উচিত শাস্তি প্রদানৰ দাবী জনায়। ধেমাজী ছাত্র সন্থাই জোনাই থানাৰ সন্মুখত প্রতিবাদী কার্যসূচী গ্রহণ কৰাৰ লগতে ৰাজপথত প্রতিবাদী সমদল উলিয়ায়। ইপিনে গুৰুতৰভাৱে আঘাতপ্রাপ্ত ছাত্র সন্থাৰ নেতাগৰাকীক উন্নত চিকিৎসাৰ বাবে পুৱাই অসম চিকিৎসা মহাবিদ্যালয়লৈ প্রেৰণ কৰা হয়।

ooooo

অসম প্রদেশ কংগ্রেছৰ মুখপাত্র ৰীতম সিঙক মৰিগাঁও আৰক্ষীয়ে জিলা কাৰাগাৰৰ বাহিৰত আজি পুনৰ গ্রেপ্তাৰ কৰে। কালি সন্ধিয়া মৰিগাওঁৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে সিঙৰ জামিন মঞ্জুৰ  কৰিছিল। জাগীৰোড থানাত ৰুজু হোৱা এটা গোচৰ সংক্রান্তত আৰক্ষীয়ে গ্রেপ্তাৰ কৰা বুলি প্রকাশ কৰিছে। ইপিনে, তেঁওৰ গ্রেপ্তাৰ ৰাজনৈতিক উদ্দেশ্য প্রণোদিত বুলি শ্রীসিঙে অভিযোগ তুলিছে।

ooooo

ৰাজ্যৰ বিভিন্ন প্রান্তত আজি ধর্মীয় ৰীতি নীতিৰে হনুমান জয়ন্তী পালন কৰা হয়। এই উপলক্ষে ধুবুৰী জিলাৰ বিলাসীপাৰাত দিনযোৰা কার্যসূচী গ্রহণ কৰা হয়। চহৰখনৰ প্রসিদ্ধ হনুমান মন্দিৰ প্রাঙ্গনত আজি এই উপলক্ষে মহাযজ্ঞ, হনুমান অভিযেক আৰু ধর্মীয় শোভাযাত্রা উলিওৱা হয়।

শিলচৰত আজি হনুমান জয়ন্তী উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। এই উপলক্ষে হোমযজ্ঞ, পূজা অর্চনা আৰু মংগল আৰতি কৰা হয়। হনুমানৰ আৰাধানাৰ বাবে আজি বহু লোকৰ সমাগম হয়। হোজাইৰ হনুমান মন্দিৰতো আজি হনুমান জয়ন্তী উপলক্ষে বহু লোকে পূজা অর্চনাত অংশ লয়। গুৱাহাটীৰ উজানবজাৰ জাহাজঘাটৰ হনুমান মন্দিৰত আজি পুৱাৰে পৰা হনুমান জয়ন্তী উপলক্ষে ধর্মীয় অনুষ্ঠানৰ আয়োজন কৰা হয়। অগণন লোকৰ সমাগমত অভিযেক, আৰতি, নাম প্রসংগ আৰু প্রসাদ বিতৰণ কৰা হয়। সন্ধিয়াৰ ভাগত ভজনৰ অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

ooooo

আবৃত্তি এটা পৰিৱেশ্য কলা হ'ব পাৰেনে? সংগীত নাটক একাডেমীয়ে অসমীয়া ভাষাৰ আবৃত্তিক পৰিৱেশ্য কলাৰ স্বীকৃতি দিয়াৰ ক্ষেত্রত উদ্ভৱ হোৱা বিভিন্ন বিষয়ক আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্রচাৰ কৰিব। এই অনুষ্ঠানত বিশিষ্ট আবৃত্তিকাৰ শান্তিছায়া শইকীয়া, অৰূনী বৰা আৰু উপম শইকীয়াই  মতামত আগবঢ়াব।  অনুষ্ঠানটোৰ প্রযোজনা আৰু পৰিচালনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুলৈ এদিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণে প্রস্তুতি প্রায় সম্পূর্ণ কৰিছে। কাইলৈ বিহুৰ উৰুকা। পৰহিলৈ ৰাজ্যখনৰ জনসাধাৰণে গোধনৰ শ্রীবৃদ্ধি কামনাৰে গৰু বিহু পালন কৰিব। মঙলবাৰে অসমীয়া নৱবর্ষৰ প্রথমটো দিনত হেঁপাহৰ বিহুৱান লৈ বছৰটোৰ বাবে ৰাজ্যবাসীয়ে পৰস্পৰৰ কুশল কামনা কৰিব। ৰাজ্যৰ প্রান্তে প্রান্তে বিহু উপলক্ষে উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি হোৱাৰ লগতে জনসাধাৰণ অসমীয়া নৱবর্ষক পৰম্পৰাগত ৰীতি-নীতিৰে আদৰিবলৈ সাজু হৈছে। গাঁৱে-ভূঞে, চহৰে-নগৰে ৰঙালী বিহুক লৈ উৎসাহ-উদ্দীপনাৰ পৰিবেশে বিৰাজ কৰিছে। ইফালে বিহুৰ বতৰতে অসমৰ গামোচাৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছে। গুৱাহাটী মহানগৰীৰ প্রান্তে প্রান্তে গামোচাৰ বিপণী মুকলি কৰা হৈছে। মহানগৰীৰ

বিভিন্ন বজাৰত প্ৰয়োজনীয় মাখিয়তি, দীঘলতি, থেকেৰা, বৰবেঙেনা, পানীলাও, হালধি আদি উপলব্ধ হৈছে। অনুৰূপ ধৰণে ফাঁচী বজাৰ, গণেশগুৰি, পল্টন বজাৰ আৰু বিভিন্ন শ্বপিংমলত কাপোৰ ক্ৰয় কৰাৰ বাবে গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই গৰু বিহুৰ দিনা জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে।

ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে পৰহিলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে। গুৱাহাটীৰ বেলতলা বিহু উদযাপন সমিতিয়ে এইবছৰো অহা ২৪ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ বেলতলা বিদ্যালয় খেল পথাৰত ৪৮ সংখ্যক ব'হাগী উৎসৱৰ আয়োজন কৰিছে। এইবেলি বিহু উদ্‌যাপন সমিতিৰ সৰ্বোচ্চ সন্মান ড° ভূপেন হাজৰিকা বঁটা কণ্ঠশিল্পী জুবিন গাৰ্গক প্ৰদান কৰা হ'ব। তদুপৰি ৰাজ্যৰ বিভিন্ন বিহুমঞ্চত শ্ৰেষ্ঠত্ব অৰ্জন কৰা বিহুৱতীসকলৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত কৰি পাটমাদৈ বঁটা প্ৰদান কৰা হ'ব। তিনিদিনীয়া কাৰ্যসূচীত হুঁচৰি, সাংস্কৃতিক সন্ধিয়া আৰু ১০ গৰাকী জ্যেষ্ঠ শিল্পীৰ সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব।

নগাঁৱৰ শিক্ষানুষ্ঠান নৰৰূপ জাতীয় বিদ্যাপীঠ আৰু নৰৰূপ কণিষ্ঠ মহাবিদ্যালয়ৰ উদ্যোগত আজি ৰঙালী বিহু আদৰণি উৎসৱ অনুষ্ঠিত হয়। ৰাজ্যৰ বহু শিক্ষানুষ্ঠানত আজি শিক্ষাৰ্থীসকলক ৰঙালী বিহুৰ পৰম্পৰাৰ সৈতে পৰিচিত কৰোৱাৰ উদ্দেশ্যে এনেধৰণৰ উৎসৱৰ আয়োজন কৰা হয়। ৰাজ্যৰ বিভিন্ন জিলাত জনসাধাৰণে বিহুৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। শিৱসাগৰ জিলাত ৰঙালী বিহু উদযাপন সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা মুজাহিদ আলী ঃ

**বাইট**

অৰণ্য সুৰক্ষা সমিতি অসমে বিগত বছৰৰ দৰে এইবাৰো পৰিবেশ সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে গছ বিহু পালন কৰিব। ধুবুৰী জিলাৰ বিভিন্ন প্ৰান্তত পহিলা ব'হাগৰ দিনা এই বিহু পালন কৰা হ'ব। একেদৰে কামৰূপ জিলাৰ ৰঙিয়াৰ দীপ্তেশ্বৰীত ২৭ এপ্ৰিলত গছ বিহু পালন কৰা হব। এই উপলক্ষে গছৰ তলত বিহু নাচ গান আৰু পৰিবেশ সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি লক্ষ্ণৌত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ঘৰুৱা দল লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ১৮১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে টছত জয়লাভ কৰি গুজৰাট টাইটানছক প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। গুজৰাট টাইটানছৰ শুভমন গিলৰ সৰ্বাধিক ৬০ ৰাণ, ছাই সুদৰ্শনৰ ৫৬ ৰাণৰ সহায়ত ৬টা উইকেটৰ বিনিময়ত ১৮০ ৰাণ সংগ্ৰহ কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ হৈ শ্বাৰ্দুল ঠাকুৰ আৰু ৰবি বিষ্ণৈ দুটাকৈ উইকেট লাভ কৰে। প্ৰত্যুত্তৰত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে বাতৰি যুগুতোৱাৰ পৰলৈকে ১৩ অভাৰত ২টা উইকেট হেৰুৱাই ১৪০ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

ইপিনে আই পি এলৰ আন এখন খেলত আজি পাঞ্জাব কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত